# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 03-07-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জাপানৰ প্ৰধানমন্ত্ৰী ছনাএয়ে টাকাইচিয়ে পাকিস্তানে সীমান্তৰ পৰা চলোৱা সন্ত্ৰাসবাদসহ সকলো ধৰণৰ সন্ত্ৰাসবাদক স্পষ্টভাৱে গৰিহণা দিছে।

২। ভাৰত-জাপানে অৰ্থনৈতিক সুৰক্ষাৰ গুৰুত্বৰ প্ৰতি দুয়োখন দেশৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে পুনৰ প্ৰকাশ কৰিছে।

৩। ষোড়শ বিত্ত আয়োগৰ পৰামৰ্শ সম্পৰ্কে আলোচনা কৰাৰ বাবে আজি নতুন দিল্লীত ৰাজ্যিক পঞ্চায়ত মন্ত্ৰীসকলৰ এখন ৰাষ্ট্ৰীয় কৰ্মশালা আয়োজন কৰা হৈছে।

৪। জম্মু-কাশ্মীৰৰ পেহেলগাম আৰু বালটল দুয়োটা পথেৰে আজি বাৰ্ষিক অমৰনাথ যাত্ৰা আৰম্ভ হ'ব।

*আৰু*

৫। স্পেইন আৰু পৰ্টুগালে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জাপানৰ প্ৰধানমন্ত্ৰী ছনাএয়ে টাকাইচিয়ে পাকিস্তানে সীমান্তৰ পৰা চলোৱা সন্ত্ৰাসবাদসহ সকলো ধৰণৰ সন্ত্ৰাসবাদক স্পষ্টভাৱে গৰিহণা দিছে। নতুন দিল্লীত কালি অনুষ্ঠিত ভাৰত-জাপান বাৰ্ষিক শীৰ্ষ সন্মিলনৰ অন্তত জাৰি কৰা এটা যুটীয়া বিবৃতিত দুয়োগৰাকী নেতাই যোৱাবছৰ ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দিয়ে। তেওঁলোকে লগতে যোৱা ১০ নৱেম্বৰত সংঘটিত দিল্লীৰ সন্ত্ৰাসবাদী ঘটনাকো নিন্দা কৰে।

প্ৰধানমন্ত্ৰীদ্বয়ে সুচল আৰু সমৃদ্ধিশালী ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ লক্ষ্যত উপনীত হোৱাৰ বাবে সমভাৱপূৰ্ণ দেশসমূহৰ মাজত সহযোগিতা বৃদ্ধিৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়েও উল্লেখ কৰে।

ooooo

ভাৰত-জাপান বিশেষ কৌশলগত আৰু গোলকীয় সহযোগিতাৰ অন্যতম ভেঁটি হিচাপে অৰ্থনৈতিক সুৰক্ষাৰ গুৰুত্বৰ প্ৰতি দুয়োখন দেশে নিজৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে পুনৰ প্ৰকাশ কৰিছে। অৰ্থনৈতিক সুৰক্ষা সহযোগিতা সম্পৰ্কীয় ভাৰত-জাপান যুটীয়া ঘোষণা পত্ৰত অৰ্থনৈতিক সুৰক্ষা সহযোগিতা, পাৰস্পৰিক বিশ্বাস, উমৈহতীয়া প্ৰমূল্য আৰু পাৰস্পৰিক স্বাৰ্থৰ ওপৰত আধাৰিত বুলি উল্লেখ কৰা হৈছে। দুয়োখন দেশৰ সমৃদ্ধি সুৰক্ষা আৰু অৰ্থনৈতিক ভৱিষ্যৎ পৰস্পৰৰ সৈতে গভীৰভাৱে সংপৃক্ত হৈ আছে বুলি ঘোষণা পত্ৰত প্ৰকাশ কৰা হৈছে। উন্নীত মুক্ত তথা স্বতন্ত্ৰ ভাৰত প্ৰশান্ত মহাসাগৰ এলেকা আৰু বিকাশৰ বাবে পাৰস্পৰিক তথা সৰ্বাত্মক অগ্ৰগতি বিষয়ক

**মহাসাগৰ** উদ্যমে দুয়ো পক্ষক অৰ্থনৈতিক সুৰক্ষা সহযোগিতা সুদৃঢ় কৰাৰ বাবে উৎসাহিত কৰে বুলি ঘোষণা পত্ৰত উল্লেখ কৰা হৈছে। দুয়ো পক্ষই ছেমি কণ্ডাক্টৰ, গুৰুত্ব খনিজ পদাৰ্থ, তথ্য আৰু যোগাযোগ প্ৰযুক্তি, নিকা শক্তি আৰু ভেষজ খণ্ডত দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰিব।

০০০০০

পঞ্চায়তী ৰাজ মন্ত্ৰালয়ে ষোড়শ বিত্ত আয়োগৰ পৰামৰ্শ সম্পৰ্কে আলোচনা কৰাৰ বাবে আজি নতুন দিল্লীত ৰাজ্যিক পঞ্চায়ত মন্ত্ৰীসকলৰ এখন ৰাষ্ট্ৰীয় কৰ্মশালা আয়োজন কৰিছে। কৰ্মশালাখনত এখন কেন্দ্ৰীয় পঞ্চায়তী ৰাজ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে অধ্যক্ষতা কৰিব। পঞ্চায়তী ৰাজ দপ্তৰৰ ৰাজ্য মন্ত্ৰী প্ৰফেছাৰ এছ পি সিং বাঘেলেও কৰ্মশালাত ভাগ ল'ব।

কৰ্মশালাত ষোড়শ বিত্ত আয়োগৰ গ্ৰাম্য স্থানীয় নিকায় অনুদানৰৰ সফল ৰূপায়ণৰ বাবে বিত্ত মন্ত্ৰালয়ৰ ব্যয় বিভাগে আগবঢ়োৱা নীতি নিৰ্দেশনা সম্পৰ্কে আলোচনা কৰা হ'ব। কৰ্মশালাত নিজস্ব  উৎসৰ জৰিয়তে সংগৃহীত ৰাজহ বৃদ্ধি কৰি পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানসমূহৰ বিত্তীয় বহনক্ষমতা সদৃঢ় কৰাৰ বিষয়টোত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। কৰ্মশালাখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ শ্ৰেষ্ঠ পদ্ধতি ভগাই লোৱাৰ, ৰূপায়ণৰ প্ৰত্যাহ্বানক লৈ আলোচনা কৰাৰ আৰু বিত্ত আয়োগৰ অনুদানৰ ফলপ্ৰসূ ব্যৱহাৰৰ বাবে ব্যৱহাৰিক ৰণনীতি বিনিময় কৰাৰ বাবে মঞ্চ প্ৰদান কৰিব।  কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ সহযোগিতা সুদৃঢ় কৰা তথা ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰ ৰূপে গঢ়ি তোলাৰ পৰিকল্পনা অনুযায়ী পঞ্চায়তসমূহক উন্নত শাসন, আন্তঃগাঁথনি, ৰাজহুৱা সেৱা আৰু সৰ্বাত্মক গ্ৰাম্য উন্নয়নৰ সৱল কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে শক্তশালী পৰিকাঠামো বিকশায় তোলাত কৰ্মশালাখনে সহায় কৰিব বুলি আশা কৰা হৈছে।

০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি কলকাতাত পশ্চিমবংগ বিধানসভাৰ নৱ-নিৰ্বাচিত সদস্যসকলৰ বাবে আয়োজিত দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰিব। নৱ-নিৰ্বাচিত বিধায়কসকলক সংসদীয় কাৰ্যপ্ৰণালী, সমিতি ব্যৱস্থা, বিত্তীয় তদাৰকী আৰু ডিজিটেল ব্যৱস্থাৰ দৰে গুৰুত্বপূৰ্ণ দিশসমূহৰ সৈতে অৱগত কৰোৱাৰ উদ্দেশ্যে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। লোকসভা সচিবালয়ে প্ৰকাশ কৰা অনুসৰি, এই অনুষ্ঠানে জনপ্ৰতিনিধি আৰু সংসদীয় বিশেষজ্ঞসকলৰ মাজত অভিজ্ঞতা বিনিময়ৰ এখন উপযুক্ত মঞ্চ প্ৰদান কৰিব। দুদিনীয়া এই কাৰ্যসূচীত এগৰাকী দক্ষ বিধায়কৰ কৰ্তব্য আৰু আচাৰ-আচৰণ সম্পৰ্কীয় কেইবাটাও কাৰিকৰী অধিৱেশন অন্তৰ্ভুক্ত কৰা হৈছে।

উদ্বোধনী অনুষ্ঠানত ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশ, কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজু আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগাম আৰু বালটল দুয়োটা পথেৰে আজি বাৰ্ষিক অমৰনাথ যাত্ৰা আৰম্ভ হ'ব। এই ৫৭ দিনীয়া তীৰ্থ যাত্ৰাৰ সময়ত দেশৰ বিভিন্ন প্ৰান্তৰ লাখ লাখ ভক্তই পৱিত্ৰ অমৰনাথ গুহা দৰ্শন কৰাৰ সম্ভাৱনা আছে।

ভক্তসকলে প্ৰতিবছৰে ভগৱান শিৱৰ আশীষ বিচাৰি প্ৰাকৃতিকভাৱে বৰফেৰে গঠিত শিৱলিংগ দৰ্শনৰ উদ্দেশ্যে প্ৰায় ৩ হাজাৰ ৮৮৮ মিটাৰ উচ্চতাত অৱস্থিত পৱিত্ৰ অমৰনাথ গুহা ভ্ৰমণ কৰে। অহা ২৮ আগষ্টত ৰাখী বন্ধনৰ দিনা এই যাত্ৰাৰ সামৰণি পৰিব।

অমৰনাথ গুহা দৰ্শনৰ বাবে অহা তীৰ্থযাত্ৰীৰ প্ৰথমটো দল কালি কটকটীয়া সুৰক্ষাৰ মাজত অনন্তনাগ জিলাৰ নুনৱান আৰু গান্দেৰবল জিলাৰ বালটলস্থিত দ্বৈত মূল শিবিৰত উপস্থিত হয়। জম্মু-কাশ্মীৰৰ উপ ৰাজ্যপাল মনোজ সিনহাই কালি পুৱা জম্মুৰ ভগৱতী নগৰ যাত্ৰী নিৱাসৰ পৰা পতাকা জোকাৰি তীৰ্থযাত্ৰীৰ প্ৰথমটো দলক ৰাওনা কৰিছিল। তীৰ্থযাত্ৰীৰ প্ৰথমটো দলত ৪ হাজাৰ ৮২২ গৰাকী ভক্ত আছে। ইয়াৰে ভিতৰত দুহেজাৰ ৫১০ গৰাকীয়ে পেহেলগাম পথেৰে আৰু দুহেজাৰ ৩১২ গৰাকীয়ে বালটল পথেৰে অমৰনাথ গুহালৈ যাত্ৰা কৰিব। তীৰ্থযাত্ৰীসকলৰ বাবে সুলচ আৰু নিৰাপদ যাত্ৰা সুনিশ্চিত কৰাৰ উদ্দেশ্যে দুয়োটা পথতে পৰ্যাপ্ত সুৰক্ষা ব্যৱস্থা কৰা হৈছে। দুয়োটা পথত জিৰণি চ'ৰা, খাদ্য বিপণী, স্বাস্থ্যসেৱা আৰু উদ্ধাৰকাৰী দলৰ দৰে প্ৰয়োজনীয় সুবিধাৰ দিহা কৰা হৈছে।

ooooo

ছিৰিয়াৰ ৰাজধানী ডামাস্কাছৰ এখন কেফেত কালি এটা বোমা বিস্ফোৰণত কমেও ৯ জন লোক নিহত হয়। দেশখনৰ গৃহ মন্ত্ৰালয়ে জনোৱা অনুসৰি, ৰাজধানী চহৰখনৰ হিজাজ জিলাত অৱস্থিত ন্যায়-প্ৰসাদৰ পৰা মাত্ৰ এশ মিটাৰ দূৰত্বত থকা কেফেখনৰ ভিতৰত বিস্ফোৰক সামগ্ৰী লুকুৱাই ৰখা হৈছিল। এই ঘটনাত আন ২০ গৰাকী লোক আহত হোৱা বুলি ছিৰিয়াৰ স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। এতিয়ালৈকে কোনো উগ্ৰপন্থী সংগঠনে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা নাই।

নিৰাপত্তা বাহিনীয়ে ইতিমধ্যে সমগ্ৰ অঞ্চলটো ঘেৰি ধৰি ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। বিস্ফোৰণস্থলীত উপস্থিত হৈ ডামাস্কাছৰ গভৰ্নৰ মাহেৰ মাৰোৱান ইদলিবিয়ে মন্তব্য কৰে যে, এই বোমা বিস্ফোৰণৰ সৈতে জড়িত দোষী ব্যক্তিসকলক কোনো কাৰণতে ৰেহাই দিয়া নহ'ব আৰু তেওঁলোকক কৰায়ত্ত কৰি যথোচিত শাস্তি বিহা হ'ব।

ooooo

থাইলেণ্ডৰ উত্তৰ-পূব প্ৰান্তৰ মুকদাহান প্ৰদেশত কালি পদযাত্ৰাত অংশ লোৱা ধৰ্মগুৰুসকলৰ এটা দলক কালি এজন ১১ বছৰীয়া কিশোৰে চলাই অহা এখন বাহনে মহতিয়াই নিয়ে। এই শোকাৱহ পথ দুৰ্ঘটনাত ৯ গৰাকী বৌদ্ধ ভিক্ষুৱে প্ৰাণ হেৰুৱায়।

চৰকাৰী সূত্ৰই জনোৱা মতে, মুকদাহান প্ৰদেশৰ মুঠ ৩৫ গৰাকী ধৰ্মগুৰুৱে এই ধৰ্মীয় যাত্ৰাত অংশ লৈছিল। ইয়াৰে ৫ গৰাকী ভিক্ষুৰ থিতাতে মৃত্যু হোৱাৰ বিপৰীতে আন ৪ গৰাকীয়ে চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। দুৰ্ঘটনাত আহত আন ১৩ গৰাকী লোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে, যাৰ ভিতৰত ৩ গৰাকীৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে।

আৰক্ষীয়ে জনোৱা অনুসৰি, অভিযুক্ত কিশোৰজনক ইতিমধ্যে আটক কৰা হৈছে আৰু ৰাজ্যিক শিশু সুৰক্ষা বিষয়াৰ উপস্থিতিত জেৰা কৰা হ'ব।

০০০০০

স্পেইনে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। দলটোৱে যোৱানিশা কেলিফনিয়াত অনুষ্ঠিত নক আউট পৰ্যায়ৰ এখন খেলত অষ্ট্ৰিয়াক ৩-০ গ'লত পৰাভূত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। স্পেইনৰ হৈ মিকেল অ'য়াৰজাৱালে ৩৬ মিনিটত গ'ল দি দলক ১-০ৰ অগ্ৰগতি প্ৰদান কৰে। ইয়াৰ পাছত পেদ্ৰ' পোৰোই ৬৬ মিনিটত দ্বিতীয়টো গ'ল দি দলৰ স্থিতি সুদৃঢ় কৰে। অ'য়াৰজাৱালে ৮৯ মিনিটত আৰু এটা গ'ল দি দলৰ জয় নিশ্চিত কৰে। স্পেইন প্ৰি-কোৱাৰ্টাৰ ফাইনেলত পৰ্টুগালৰ সন্মুখীন হ'ব। পৰ্টুগালে কিছুসময় পূৰ্বে সমাপ্ত হোৱা নক আউট পৰ্যায়ৰ এখন খেলত ক্ৰ'ৱেছিয়াক ২-১ গ'লত পৰাভূত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে।

বেলজিয়াম, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইংলেণ্ড ইতিমধ্যে প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ইংলেণ্ড সোমবাৰে হ'বলগীয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলত মেক্সিক'ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে সহ আয়োজক আমেৰিকা মঙলবাৰে হ'বলগীয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলত বেলজিয়ামৰ সন্মুখীন হ'ব।

ফ্ৰান্স, নৰোৱে, কানাডা, মৰক্কো, ব্ৰাজিল আৰু পাৰাগুৱেও প্ৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০

মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আয়োজক ইংলেণ্ডে দক্ষিণ আফ্ৰিকাক ৪০ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। লণ্ডনৰ কেনিংটন অ'ভেলত অনুষ্ঠিত কালিৰ দ্বিতীয়খন ছেমি ফাইনেল খেলত বিজয়েৰে দলটোৱে খিতাপ দখলৰ অন্তিম যুঁজত অষ্ট্ৰেলিয়াৰ মুখামুখি হোৱাটো নিশ্চিত কৰে।

খেলখনত প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ লাভ কৰি ইংলেণ্ডে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৬৯ ৰান সংগ্ৰহ কৰে। নাট চিভাৰ-ব্ৰাণ্টে ৪৭টা বলত ৭৫ ৰানৰ বৰঙণি আগবঢ়ায়।

প্ৰত্যুত্তৰত ১৭০ ৰানৰ লক্ষ্য অনুসৰণ কৰি দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই মাত্ৰ ১২৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। নাট চিভাৰ-ব্ৰাণ্টক 'প্লেয়াৰ অৱ দ্য মেচ' ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে যোৱা মঙলবাৰে অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত অষ্ট্ৰেলিয়াই ৰেষ্ট ইণ্ডিজক ৮ উইকেটত পৰাস্ত কৰিছিল। অহা দেওবাৰে লণ্ডনৰ ঐতিহাসিক লৰ্ডছ ক্ৰিকেট খেলপথাৰত বিশ্বকাপৰ চূড়ান্ত খেলখন অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত